NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

Date : 29-11-2026
Time : 1340 Hrs.

Assamese Midday Bulletin

HEADLINES

১। আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানত আজি প্ৰধানমন্ত্ৰীয়ে অসমৰ সোণাই ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্য আৰু পিগমি হগ গাহৰিৰ প্ৰজাতিৰ সংৰক্ষণৰ প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰে।

২। প্ৰধানমন্ত্ৰীয়ে কৈছে যে ডিজিটেল মঞ্চ আই জি অ' টি কৰ্মযোগীৰ জৰিয়তে দেশৰ লাখ লাখ চৰকাৰী কৰ্মচাৰীয়ে নতুন কিবা শিকিবৰ বাবে আগ্ৰহ প্ৰকাশ কৰিছে।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজি ড০ ভূপেন হাজৰিকাৰ জন্ম-শতবৰ্ষৰ সামৰণি অনুষ্ঠানত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰিব। ***আ/ৰু***

৪। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, আধুনিক যুদ্ধ এতিয়া ছাইবাৰ মহাকাশ, বহিঃ মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে যুঁজলৈ সম্প্ৰসাৰিত হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আকাশবাণী যোগে প্ৰচাৰিত মন কী বাত অনুষ্ঠানৰ ১৪০ সংখ্যক খণ্ডত বিভিন্ন বিষয়ক লৈ দেশ-বিদেশৰ শ্ৰোতাৰ সৈতে মত বিনিময় কৰে। আজিৰ অনুষ্ঠানত তেওঁ অসমৰ সোণাই ৰূপাই বন্যপ্ৰাণী অভয়াৰণ্যৰ বিশেষভাৱে উল্লেখ কৰে। এসময়ত এই অভায়ৰণ্য বনৰীয়া হাতীৰ আৱাসস্থল আছিল বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে লাহে লাহে অৰণ্যৰ ভূমি মানুহে দখল কৰাত হাতীবোৰ তাৰ পৰা আঁতৰি যায়। তিনি বছৰ পূৰ্বে অৰণ্যৰ ভূমি মানুহৰ দখলৰ পৰা মুক্ত কৰা হয় আৰু ইয়াৰ পৰিণতিত হাতীবোৰ পুনৰ আগৰ ঠাইলৈ উভতি আহে। এতিয়া যিবোৰ অঞ্চলত বহুদিন ধৰি হাতীৰ অস্তিত্ব নাছিল, তাত আকৌ হাতীৰ জাক দেখিবলৈ পোৱা গৈছে। প্ৰধানমন্ত্ৰীয়ে অসমৰ আন এটা সুন্দৰ প্ৰচেষ্টাৰ বিষয়ে উল্লেখ কৰি কয়, যে ৰাজ্যখনত পিগমি হগ নামৰ সৰু জাতৰ এবিধ গাহৰিৰ প্ৰজাতিক সংৰক্ষণৰ প্ৰয়াস কৰা হৈছে। এসময়ত এই গাহৰি অস্তিত্বৰ সংকটত পৰিছিল। মাত্ৰ ছটা পিগমি হগক অৰণ্যত সংস্থাপিত কৰা হৈছিল আৰু সিহঁতৰ বাবে নতুন তৃণভূমি তৈয়াৰ কৰা হৈছিল। ইয়াৰ ফলত বৰ্তমান এই প্ৰজাতিৰ গাহৰিৰ সংখ্যা ১৯০ৰো অধিক হোৱা বুলি প্ৰধানমন্ত্ৰীয়ে উল্লেখ কৰে।

প্ৰধানমন্ত্ৰীয়ে আজি মন কী বাতত দেশত ক্ৰমাগত বৃদ্ধি হোৱা ড্ৰাগছ আসক্তসকলৰ বিৰুদ্ধে সমাজৰ সামূহিক সক্ৰিয়তাত গুৰুত্ব আৰোপ কৰে। তেওঁ কয়, যে দেশত ড্ৰাগছৰ বিৰুদ্ধে প্ৰতিখন সমাজৰ সক্ৰিয় অংশগ্ৰহণ বৃদ্ধি হৈছে আৰু নিচামুক্ত যুৱ অভিযানো পূৰ্ণগতিত আগবাঢ়িছে। শ্ৰী মোদীয়ে কয়, যে ভাৰতৰ যুৱ প্ৰতিভাৰ বিষয়ে এতিয়া সমগ্ৰ বিশ্বতে আলোচনা হয়। তেওঁলোকে ডাঙৰ সপোন দেখে বুলি উল্লেখ কৰি প্ৰধানমন্ত্ৰীয়ে কয়, যে সেই সপোনক বাস্তৱ ৰূপ দিয়াৰ বাবে তেওঁলোকে সম্পূৰ্ণ সম্ভাৱনাৰে কাম কৰিব লাগিব। যুৱ সমাজৰ এই অগ্ৰগতিৰ পথত নিচাযুক্ত দ্ৰব্যৰ আসক্তি বৃহৎ প্ৰত্যাহ্বান হৈ দেখা দিছে বুলি শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰীয়ে এই প্ৰসংগত প্ৰৱল ইচ্ছাশক্তিৰে অত্যন্ত কঠিন পৰিস্থিতি অতিক্ৰম কৰি নিচাযুক্ত দ্ৰব্যৰ আসক্তিৰ পৰা ওলাই আহিবলৈ সমৰ্থ হোৱা এজন যুৱকৰ সৈতেও কথা পাতে।

(বাইট ঃ মোদী)

ডিজিটেল মঞ্চ আই জি অ' টি কর্মযোগীৰ উল্লেখেৰে শ্রী মোদীয়ে কয়, যে দেশৰ লাখ লাখ চৰকাৰী কর্মচাৰীয়ে নতুন কিবা শিকিবৰ বাবে গভীৰ আগ্রহ প্রকাশ কৰা দেখা গৈছে। তেওঁ কয়, যে এই মঞ্চত চৰকাৰী কর্মচাৰীসকলৰ বাবে ১৭ টা ভাৰতীয় ভাষাত সাত হাজাৰৰো অধিক পাঠ্যক্রম অন্তর্ভুক্ত হৈছে। কর্মযোগী অভিযানৰ মূলমন্ত্র নাগৰিক দেৱ' ভৱ বুলি উল্লেখ কৰি শ্রী মোদীয়ে কয়, যে চৰকাৰী কর্মচাৰীসকলৰ এই স্পৃহাই বিকশিত ভাৰতৰ যাত্রাক শক্তিশালী কৰি তুলিব। আন এটা ডিজিটেল মঞ্চ **সংসাৰ সাথী** সন্দর্ভত তেওঁ কয়, যে এই প'র্টেলে হেৰোৱা ম'বাইলফোন উদ্ধাৰত সহায় কৰে। এই প'র্টেল তিনি কোটিতকৈও অধিকবাৰ ডাউনলোড কৰা হৈছে আৰু ৩০ কোটিৰো অধিক লোকে প'র্টেলটো চাইছে বুলি প্রধানমন্ত্রীয়ে প্রকাশ কৰে। তেওঁ কয়, যে ২৩ টা ভাষাত উপলভ্য এই পোর্টেল ব্যৱহাৰ কৰাটো অতি সহজ।

বিহাৰৰ পাটনাৰ সংগ্রহালয়ত বিশ্বৰ ১০০ টা শ্রেষ্ঠ সংগ্রহালয়ৰ তালিকাত নৱম স্থান লাখ কৰাত প্রধানমন্ত্রীয়ে আনন্দ প্রকাশ কৰে। তেওঁ কয়, যে এই তালিকাত পাটনাৰ সংগ্রহালয় এছিয়াৰ ভিতৰতে শ্রেষ্ঠ হিচাপে পৰিগণিত হৈছে। তালিকাত এই সংগ্রহালয়ে পেৰিছৰ লউভ্রে সংগ্রহালয় আৰু নিউয়র্কৰ মেট সংগ্রহালয়তকৈ আগত স্থান পোৱা বুলিও প্রধানমন্ত্রীয়ে উল্লেখ কৰে। এই প্রসংগত প্রধানমন্ত্রীয়ে নতুন দিল্লীত অহা মাহৰ প্রথম সপ্তাহত হ'বলগীয়া ভাৰত দ্বি-বার্ষিকী শীর্ষক কলা, স্থাপত্য আৰু আর্হি বিষয়ক মহোৎসৱৰ কথা তুলি ধৰে। তেওঁ কয়, যে ১০৮ দিন ধৰি চলিবলগীয়া এই মহোৎসৱত দেশৰ ঐতিহাসিক কীর্তিচিহ্ন, সংগ্রহালয় আৰু আর্ট গেলেৰীসমূহ প্রদর্শন কৰা হ'ব। নিজৰ সন্তাৰ সৈতে এই মহোৎসৱলৈ আহি ভাৰতৰ ঐতিহ্যৰ যাত্রাক অনুধাৱন কৰিবলৈ তেওঁ সকলোকে আহ্বান জনায়।

ভাৰতীয় গুৰে নতুন বজাৰ লাভ কৰা প্রসংগও মন কী বাতত প্রধানমন্ত্রীয়ে উল্লেখ কৰে। তামিলনাড়ুৰ এই জৈৱিক গুৰ প্রথমবাৰৰ বাবে ইউৰোপলৈ ৰপ্তানি হৈছে। শ্রী মোদীয়ে কয়, যে ভাৰতৰ চকলেটেও বিশ্বৰ মঞ্চত নিজা পৰিচয় লাভ কৰিছে। বিগত বছৰত চকলেট আৰু ক'কাজাতিয় উৎপাদনৰ ৰপ্তানি প্রায় ২৫ শতাংশ বৃদ্ধি হোৱা বুলি তেওঁ প্রকাশ কৰে।

প্রধানমন্ত্রীয়ে ফিট ইণ্ডিয়া ম'ভমেণ্টৰ অধীনত দেওবৰীয়া চাইকেল চালনাই ১০০ টা পর্ব সম্পূর্ণ কৰাকলৈ আনন্দ প্রকাশ কৰে। তেওঁ কয়, যে ২০২৪ চনৰ ডিচেম্বৰত আৰম্ভ কৰা এই উদ্যোগ প্রতিটো দেওবাৰে ৰূপায়ণ হৈ আহিছে আৰু দেশৰ ৩০ হাজাৰৰো অধিক স্থানৰ ৩৭ লাখৰো অধিক লোক ইয়াত জড়িত হৈ আছে। তেওঁ কয়, যে ভাৰতে ক্রীড়াৰ ক্ষেত্রত সম্প্রতি নতুন মাইলৰ খুঁটি স্পর্শ কৰিবলৈ সমর্থ হৈছে। তেওঁ কয়, যে ভাৰতৰ ফুটবল দলে অভিলেখ সংখ্যক দশমবাৰৰ বাবে ছাফ চেম্পিয়নশ্বিপত জয়ী হ'বলৈ সমর্থ হৈছে, লক্ষ্য সেনে জার্মানী আৰু জাপানত একেৰাহে দুটা ছুপাৰ ফাইভ হাণ্ড্রেদ বেডমিণ্টনৰ খিতাপ লাভ কৰিছে আৰু তেওঁ কুমাম'ট' মাষ্টার্ছত জয়ী হোৱা প্রথম ভাৰতীয় খেলুৰে হিচাপে পৰিগণিত হৈছে। প্রধানমন্ত্রীয়ে কয়, যে বেডমিণ্টন তাৰকা পি ভি সিন্ধুৰে হাইলো অ'পেন প্রতিযোগিতাত বিজয়ী হৈ দেশৰ বাবে আন এটা গৌৰৱ অর্জন কৰিছে। প্রধানমন্ত্রীয়ে জনায় যে, তেলেংগানাৰ ছখন মহানগৰত ১১ৰ পৰা ২২ ডিচেম্বৰলৈকে অষ্টম খেল' ইণ্ডিয়া যুৱ গেমছ অনুষ্ঠিত হ'ব।

০০০০০০

প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে আজি নতুন দিল্লীৰ ভাৰত মণ্ডপমত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ জন্ম-শতবর্ষৰ সামৰণি অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্রহণ কৰিব। এই অনুষ্ঠানত সুধাকণ্ঠৰ কালজয়ী সৃষ্টি,

মানৱতাবাদী দৰ্শন আৰু অসমৰ সমৃদ্ধ সংস্কৃতিৰ ছবি ৰাষ্ট্ৰীয় মঞ্চত তুলি ধৰা হ'ব। এই অনুষ্ঠানতে ডঃ ভূপেন হাজৰিকাৰ নামত প্ৰথমবাৰৰ বাবে প্ৰৱৰ্তন কৰা ৰাষ্ট্ৰীয় বঁটা যশস্বী কণ্ঠশিল্পী উষা মংগেশকাৰক প্ৰদান কৰা হ'ব। এই বঁটাত ১০ লাখ টকাৰ নগদ ধনৰ লগতে প্ৰশস্তি পত্ৰ থাকিব।

মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমৰ সাংস্কৃতিক ঐতিহ্যক ৰাষ্ট্ৰীয়-আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত প্ৰতিষ্ঠা কৰাৰ বাবে এই পদক্ষেপ লোৱা হৈছে। ইতিমধ্যে এই অনুষ্ঠানৰ বাবে যাৱতীয় সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈছে। ৰাজ্যখনৰ সহস্ৰাধিক গায়ক-গায়িকাই এই অনুষ্ঠানত **মানুহে মানুহৰ বাবে** আৰু **উই আৰ ইন দ্যা ছেম বোট ব্ৰাডাৰ** শীৰ্ষক কালজয়ী গীত দুটি পৰিৱেশনেৰে মানৱতা আৰু বিশ্বভাতৃত্ববোধৰ বাৰ্তা প্ৰতিধ্বনিত কৰিব।

(গান ঃ ছেম বোট ব্ৰাডাৰ...)

বিশিষ্ট কণ্ঠশিল্পী কবিতা কৃষ্ণমূৰ্তি, শ্ৰেয়া ঘোষালকে ধৰি দেশৰ কেইবাগৰাকীও শিল্পীয়ে অনুষ্ঠানত অংশ ল'ব। অনুষ্ঠানৰ চূড়ান্ত প্ৰস্তুতি পৰ্যালোচনা কৰি কালি মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই ফেচবুক লাইভযোগে সবিশেষ প্ৰকাশ কৰে।

উল্লেখযোগ্য যে, ১৯২৬ চনৰ ৮ ছেপ্তেম্বৰত শদিয়াত জন্মগ্ৰহণ কৰা ডঃ ভূপেন হাজৰিকাই অসমৰ সাংস্কৃতিক জগতত বিশেষ স্থান দখল কৰি আছে। সুধাকণ্ঠ আৰু দ্যা বার্ড অব ব্ৰহ্মপুত্ৰ হিচাপে পৰিচিত কিংবদন্তি গায়ক, গীতিকাৰ, সু�ৰকাৰ, ছবি নিৰ্মাতা তথা লেখক ডঃ ভূপেন হাজৰিকাই তেওঁৰ সৃষ্টিশীল কৰ্মৰাজিৰ জৰিয়তে সাধাৰণ লোকৰ আকাংক্ষা আৰু অনুভৱক কণ্ঠ দিছিল। অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ লোক পৰম্পৰাত শিপাই থকা তেওঁৰ সংগীতে ভাষিক আৰু ভৌগোলিক সীমা নেওচি এই খণ্ডৰ চহকী সাংস্কৃতিক ঐতিহ্যক ভাৰত তথা বিশ্বৰ শ্ৰোতাৰ কাষ চপাই নিছিল।

ভাৰতীয় সংগীত, চিনেমা আৰু সংস্কৃতিলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ বাবে তেওঁ দাদা চাহেব ফালকে বঁটাকে ধৰি বহু সন্মানীয় বঁটা লাভ কৰিছিল। ২০১৯ চনত তেওঁক মৰণোত্তৰভাৱে দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান ভাৰতৰত্ন প্ৰদান কৰা হয়।

অসম চৰকাৰে যোৱা বছৰৰ ৮ ছেপ্তেম্বৰৰ পৰা কিংবদন্তী শিল্পীগৰাকীৰ জন্ম-শতবৰ্ষ উদযাপন কৰি আহিছে। যোৱা বছৰ ১৩ ছেপ্তেম্বৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৱাহাটীত আয়োজিত শিল্পীগৰাকীৰ জন্ম-শতবৰ্ষৰ অনুষ্ঠানত অংশ লৈছিল। ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত শতবৰ্ষ কাৰ্যসূচীৰ সৈতে সংগতি ৰাখি ডঃ ভূপেন হাজৰিকা সংগ্ৰহালয় নিৰ্মাণ, জীৱনী প্ৰকাশ, প্ৰতিখন চহৰত ডঃ হাজৰিকাৰ নামেৰে পথ মুকলি, ১০০ ফুট উচ্চতাৰ প্ৰতিমূৰ্তি নিৰ্মাণকে ধৰি বহুকেইটা পদক্ষেপ লোৱা হৈছে।

oooooo

কেন্দ্ৰীয় প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে আজি কয় যে আধুনিক যুদ্ধ এতিয়া কেৱল স্থল, জল আৰু বায়ুৰ মাজতে সীমাবদ্ধ হৈ থকা নাই। ৰৱঞ্চ ই ক্ৰমান্বয়ে চাইবাৰ মহাকাশ, বহিঃ মহাকাশ আৰু কৃত্ৰিম বুদ্ধিমত্তাৰ জৰিয়তে প্ৰসাৰিত হৈছে। ভাৰতে পৰিৱৰ্তিত সময়ৰ সৈতে খাপ খুৱাই মানৱ শক্তিৰ পৰা যন্ত্ৰ শক্তিলৈ ৰূপান্তৰিত হোৱাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। খাডকৰাছলাৰ ক্ষেত্ৰপাল পেৰেড খেলপথাৰত অনুষ্ঠিত ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা একাডেমীৰ ১৫১ সংখ্যক পাঠ্যক্ৰমৰ দীক্ষান্ত সমাৰোহত মন্ত্ৰীগৰাকীয়ে মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰি এই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে পেৰেডৰ অভিবাদন গ্ৰহণ কৰে। মুঠ ৩৬৯ গৰাকী কেডেটে সশস্ত্ৰ বাহিনীত যোগদান কৰে। কেডেট সৰ্তকৰাজ সাগৰ পাটিলে পেৰেডৰ নেতৃত্ব দিয়ে।

পাছত ৰাষ্ট্রপতিৰ স্বৰ্ণপদক অংকিত সিং, ৰূপৰ পদক সৰ্তকৰাজ সাগৰ পাটিলক আৰু ব্রঞ্জৰ পদক ঋষি ভালহাৰাক প্রদান কৰা হয়। অসাধাৰণ প্রদৰ্শনৰ বাবে চাৰ্লি স্কোৱাড্রনক মুখ্য কৰ্মচাৰীৰ বেনাৰ প্রদান কৰা হয়। ইফালে কালি হাবিবুলাহ হলত ১৫০ সংখ্যক পাঠ্যক্রমৰ সমাৱৰ্তন অনুষ্ঠান অনুষ্ঠিত হয়। জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়ৰ পৰা ৩৬৯ গৰাকী কেডেটে ডিগ্রী লাভ কৰে। ইয়াৰ ভিতৰত ৭৭ গৰাকী বিজ্ঞানৰ, ৯৫ গৰাকী কম্পিউটাৰ চায়েন্সৰ আৰু ৫৮ গৰাকী কলা শাখাৰ কেডেট আছিল। বন্ধুত্বপূর্ণ দেশৰ ১৮ গৰাকী কেডেটেকো ডিগ্রী প্রদান কৰা হয়। ইয়াৰ উপৰি নৌসেনা আৰু বায়ুসেনাৰ ১৩৪ গৰাকী কেডেটে ৩ বছৰীয়া পাঠ্যক্রম সম্পূর্ণ কৰাৰ বাবে প্রমাণপত্র লাভ কৰে।

oooooo

সমাপ্ত